SAMAJ BIGYAN (Tritiya Bhag) : A textbook for class VIII in Assamese medium developed by SCERT, Assam with financial support of SSA, Assam through workshops and approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Ltd. Guwahati.

**FREE TEXTBOOK**

**All rights reserved:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the publisher.

| | | |
|---|---|---|
| গ্ৰন্থস্বত্ব | ঃ | ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম |
| প্ৰথম প্ৰকাশ | ঃ | ২০১২ ইং চন |
| দ্বিতীয় প্ৰকাশ (সংশোধিত) | ঃ | ২০১৩ ইং চন |
| তৃতীয় প্ৰকাশ | ঃ | ২০১৪ ইং চন |
| চতুৰ্থ প্ৰকাশ | ঃ | ২০১৫ ইং চন |
| পঞ্চম প্ৰকাশ | ঃ | ২০১৬ ইং চন |
| ষষ্ঠ প্ৰকাশ | ঃ | ২০১৭ ইং চন |
| সপ্তম প্ৰকাশ | ঃ | ২০১৮ ইং চন |
| অষ্টম প্ৰকাশ | ঃ | ২০১৯ ইং চন |
| | ঃ | 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি। |
| প্ৰকাশক | ঃ | অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি। |
| মুদ্ৰক | ঃ | উত্তৰণ প্ৰিন্টিং এণ্ড পাব্লিকেচন্ বিৰকুছি, কলিতা কুছি, গুৱাহাটী - ২৬ |

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য

**Siddhartha Bhattacharya**, M.A., LL.B.

Cabinet Minister
Department of Education,
Guwahati Development Department,
Department of Law and Justice
Government of Assam

Block-D, 4th Floor,
Assam Secretariat,
Dispur, Guwahati-781006,
Assam



# শুভেচ্ছাবাণী..

শিক্ষা— মানৱ সভ্যতাৰ মেৰুদণ্ড; সমাজ এখনৰ অগ্ৰগতিৰ মূল চালিকা শক্তি। সেয়ে নতুন প্ৰজন্মক সঠিক শিক্ষাৰে শিক্ষিত কৰি তোলাতো অগ্ৰজ সকলৰ দায়িত্ব। চৰকাৰৰো এই ক্ষেত্ৰত বহু গুৰুত্বপূৰ্ণ ভূমিকা আছে। শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ প্ৰধান আহিলা হ'ল পাঠ্যপুথি। একোখন ভাল পাঠ্যপুথিয়ে ছাত্ৰ জীৱনৰ জ্ঞানৰ উকা দিশবোৰ পূৰণ কৰে। যি জ্ঞানে তেওঁলোকক ভৱিষ্যতে সুনাগৰিক ৰূপে গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰে। আৰ্থিকভাৱে স্বচ্ছলৰ লগতে আৰ্থিকভাৱে অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীয়েও যাতে পাঠ্যপুথিৰ অভাৱত শিক্ষা গ্ৰহণত বাধা নাপায় তাৰ বাবে অসম চৰকাৰ দায়িত্বশীল।

এই সকলো দিশ চালি-জাৰি চাই আমাৰ চৰকাৰে বিগত বৰ্ষসমূহত চৰকাৰী, প্ৰাদেশীকৃত আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়সমূহৰ 'ক' শ্ৰেণীৰ পৰা উচ্চ মাধ্যমিক পৰ্যায়ক অন্তৰ্ভুক্ত কৰি 'দশম' শ্ৰেণীলৈকে সকলো ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰি আহিছে। আমাৰ চৰকাৰে উচ্চতৰ মাধ্যমিক একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষা ব্যৱস্থাৰ উন্নতিকল্পে এই বিনামূলীয়া পাঠ্যপুথি যোগানৰ আঁচনিখন প্ৰসাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে ২০১৮-১৯ শিক্ষাবৰ্ষৰপৰা একাদশ আৰু দ্বাদশ শ্ৰেণীৰ কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিগত শাখাৰ চৰকাৰী, প্ৰাদেশীকৃত আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ চৰকাৰে মূল পাঁচটা বিষয়ৰ পাঠ্যপুথি বিনামূলীয়াকৈ যোগান ধৰাৰ ব্যৱস্থা হাতত লৈছে। স্নাতক (কলা, বিজ্ঞান, বাণিজ্য) শ্ৰেণী পৰ্যন্ত চৰকাৰে বিনামূলীয়া পাঠ্যপুথি প্ৰদানৰো সিদ্ধান্ত লৈছে।

গুণগত শিক্ষাৰ প্ৰসাৰ আৰু শিক্ষাৰ্থীৰ শৈক্ষিক উৎকৰ্ষ সাধনৰ বাবে বৰ্তমানৰ চৰকাৰে অহৰ্নিশে প্ৰচেষ্টা চলাই আহিছে। দৰিদ্ৰতা যাতে উচ্চ শিক্ষা গ্ৰহণৰ পথত বাধাৰ প্ৰাচীৰ স্বৰূপ হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে বিনামূলীয়া পাঠ্যপুথি যোগানৰ উপৰি চৰকাৰে বছৰি কম উপাৰ্জনৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে। মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ মাচুল ৰেহাই দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। ইতিমধ্যে উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তি কৰা দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাচুল ৰেহাইৰ আঁচনি বৰ্তমানৰ চৰকাৰে ৰাজ্যখনত প্ৰথমবাৰৰ বাবে ৰূপায়ণ কৰিছে। পৰৱৰ্তী সময়ত স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰিব বিচৰা দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই আঁচনি চৰকাৰে সম্প্ৰসাৰণ কৰাৰো পৰিকল্পনা কৰিছে। ইয়ে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা গ্ৰহণৰ বাবে নিশ্চয়কৈ অনুপ্ৰাণিত কৰিব। শিক্ষাখণ্ডক ইতিবাচক দিশেৰে আগুৱাই নিবলৈ ৰাজ্যখনৰ প্ৰাথমিক স্তৰৰ শিক্ষাৰ প্ৰকৃত মূল্যায়ন কৰাৰ উদ্দেশ্যে তথা এক স্পষ্ট আৰু সঠিক দিশ নিৰ্ধাৰণ কৰিবলৈ ৰাজ্য চৰকাৰে ইতিমধ্যে গুণোৎসৱৰ দৰে কাৰ্যসূচীও গ্ৰহণ কৰিছে আৰু যথেষ্ট ফলপ্ৰসূও হৈছে।

শিক্ষাৰ অন্যান্য উপাদানসমূহতকৈ মূলতঃ শিক্ষাৰ্থী-কেন্দ্ৰিক শিক্ষা ব্যৱস্থাত আমি বিশ্বাসী। সেয়ে আমাৰ এই সমূহ আঁচনিৰ সফল ৰূপায়ণৰ দ্বাৰা শিক্ষাৰ্থীসকলে নিৰলস সাধনাৰে জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি আমি আশা ৰাখিছোঁ। শিক্ষাৰ্থীসকলক বিনামূলীয়া পাঠ্যপুথি যোগানৰ এই মহান কাৰ্য সম্পাদনৰ বাবে মই অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ তথা সংশ্লিষ্ট বিভাগসমূহ আৰু অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছোঁ আৰু সৰ্বত্ৰ সফলতা কামনা কৰিছোঁ।

(সিদ্ধাৰ্থ ভট্টাচাৰ্য্য)

# পাতনি

উন্নতমানৰ পাঠ্যক্ৰমৰ আধাৰতহে গুণগতমানৰ পাঠ্যপুথিৰ সৃষ্টি সম্ভৱ। সংবিধানৰ বাধ্যবাধকতা, ৰাষ্ট্ৰৰ জনগাঁথনি, আৰ্থ-সামাজিক অৱস্থা, শাসনব্যৱস্থা, অৰ্থনৈতিক ক্ৰিয়াকলাপ, বিজ্ঞান প্ৰযুক্তিৰ উপযোগিতা আদি সকলোৰে দিশ বিবেচনা কৰি পাঠ্যক্ৰম ও পাঠ্যপুথিৰ প্ৰস্তুতি নিতান্তই প্ৰয়োজন। আমাৰ ৰাজ্যৰ শিক্ষা বিভাগে এই সকলোৰে দিশ চালি-জাৰি চাই প্ৰাথমিক স্তৰৰ পাঠ্যপুথিসমূহ ২০১০ চনৰ পৰা **ৰাষ্ট্ৰীয় কাৰিকুলাম ২০০৫**ৰ আধাৰত প্ৰস্তুত কৰি আহিছে।

ৰাজ্যৰ শিক্ষাবিদ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিষয়াসকল, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শৈক্ষিক বিষয়া, বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ তথা নৰ্মাল স্কুলৰ শিক্ষক-প্ৰশিক্ষকসকলৰ উপস্থিতিত এলানি কৰ্মশালাৰ জৰিয়তে এই পাঠ্যপুথিৰ পৰিকল্পনা, খচৰা আৰু পুনৰীক্ষণৰ কাম সম্পন্ন কৰা হৈছে।

পাঠ্যপুথিৰ প্ৰস্তুতকৰণ কাৰ্যসূচীত উপৰোক্ত ব্যক্তিসকলৰ উপৰি বিষয় বিশেষজ্ঞৰ সহায় লোৱা হয়। এই চেগতে শ্ৰদ্ধাৰ এই ব্যক্তি সকলোলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

পাঠ্যপুথিখনৰ কাঠামো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা পাঠ্যপুথিসমূহৰ আলম লোৱা হৈছে যাতে আমাৰ পুথিখনৰ গুণগত মানদণ্ড নিশ্চিত কৰিব পাৰি। পাঠ্যপুঠিৰ এই মান সুনিশ্চিত কৰাৰ বাবে কিছুমান বছা বছা বিদ্যালয়ৰ শ্ৰেণীকক্ষত পাঠ্যপুথিৰ ক্ষেত্ৰক্ষিত্তিক পৰীক্ষণৰ ব্যৱস্থা লোৱা হয়। পৰীক্ষণকালত সদাশয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা পোৱা প্ৰতিপুষ্টিয়ে পাঠ্যপুথিৰ মান উন্নয়নত যথেষ্ট সহায়ক হৈছে।

ইয়াৰ উপৰি, বৰ্তমানৰ প্ৰযুক্তিসম্বলিত প্ৰেক্ষাপটৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীক বৌদ্ধিক স্থিতিক সবল কৰাৰ অৰ্থে সমাজ বিজ্ঞানৰ পাঠ্যপুঠিত "দীক্ষা"(DIKSHA)ৰ তত্বাৱধানত কিউ আৰ ক'ড (Q.R Code) সন্নিবিষ্ট কৰা হৈছে যাতে ডিজিটেল প্ৰক্ৰিয়াৰ জৰিয়তে কম সময়তে বিষয়বস্তুৰ সামগ্ৰিক ধাৰণা আয়ত্ব কৰি শিকন ফলাফল নিশ্চিত কৰিব পাৰি। এই কাৰ্য সম্পাদনাৰ ক্ষেত্ৰত দীক্ষাকে ধৰি যিসকল পাৰদৰ্শী ব্যক্তিয়ে অতি কম সময়ৰ ভিতৰত আমাৰ লগত সহযোগ কৰিলে তেখেতসকললৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। এইবছৰৰ পাঠ্যপুথিখনৰ যথা সম্ভৱ ভুল-ত্ৰুটিবোৰ শুধৰোৱাৰ লগতে প্ৰায়োগিক তথ্যসমূহ সন্নিবিষ্ট কৰা হৈছে।

পুনৰবাৰ পাঠ্যপুথিৰ প্ৰস্তুতিৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত সকলো ব্যক্তি তথা প্ৰতিষ্ঠানৰ প্ৰতি আমাৰ কৃতজ্ঞতা জনোৱা হ'ল।

নিবদা দেৱী

(ড° নিবদা দেৱী)
সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

## কৃতজ্ঞতা স্বীকাৰ

২০১২ চনৰ মে' মাহত অসম চৰকাৰৰ শিক্ষা (প্ৰাথমিক) বিভাগৰ দ্বাৰা গঠিত ৰাজ্যিক পৰ্যায়ৰ বিষয় বিশেষজ্ঞ সমিতিৰ মাননীয় সদস্য-সদস্যা বৃন্দলৈ কৃতজ্ঞতা স্বীকাৰ।

**সমাজ বিজ্ঞান-ষষ্ঠ শ্ৰেণী, সপ্তম শ্ৰেণী আৰু অষ্টম শ্ৰেণীৰ পাঠ্যপুথি সমূহৰ পুণঃৰীক্ষণৰ বাবে নিয়োজিত বিশেষজ্ঞ সকল।**

(১) ড° জগন্নাথ পাটগিৰি, ভূগোল বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়।

(২) শ্ৰী সুৰেশ কুমাৰ নাথ, অৰ্থনীতি বিভাগ, কটন মহাবিদ্যালয়।

(৩) শ্ৰী বিশ্বজ্যোতি দেৱমহন্ত, ইতিহাস বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়।

# পাঠ্যপুথি প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল

## পাঠ প্ৰস্তুতকৰণ

শ্ৰীগণেশ চন্দ্ৰ গোস্বামী, প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী
ড° নৱনীতা বৰুৱা, প্ৰবক্তা
পাণ্ডু মহাবিদ্যালয়, মালিগাঁও, গুৱাহাটী
শ্ৰীমতী গীতা দত্ত বৰঠাকুৰ, প্ৰবক্তা,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰীমতী জ্যোৎস্না গগৈ মেদক, প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, লখিমপুৰ
শ্ৰীৰাতুল নেওগ, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়
শ্ৰীঅশোক শৰ্মা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী
শ্ৰীদেবেন্দ্ৰ কুমাৰ কলিতা, প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং
চৌয়দা কমেনা বেগম, প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়
শ্ৰীত্ৰিলোচন ঠাকুৰীয়া, ভাৰপ্ৰাপ্ত অধ্যক্ষ
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা
শ্ৰীহৰিনাথ বৰা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শিৱসাগৰ
শ্ৰীমতী ভাৰতী কলিতা, প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ
জেহিমুদ্দিন শেখ, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোৱালপাৰা
শ্ৰীনৱ কুমাৰ শৰ্মা, প্ৰবক্তা, জিলা সমল কেন্দ্ৰ, বঙাইগাঁও
শ্ৰীদীপক কুমাৰ তালুকদাৰ, প্ৰবক্তা, জিলা সমল কেন্দ্ৰ, বঙাইগাঁও
শ্ৰীপ্ৰদীপ ৰায়, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধুবুৰী
শ্ৰীমতী ৰশ্মিৰেখা হাজৰিকা, প্ৰবক্তা, বেলতলা মহাবিদ্যালয়
শ্ৰীমতী অপৰ্ণা শৰ্মা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী,
কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী
শ্ৰীমঞ্জু বৰা শৰ্মা, বিষয় শিক্ষয়িত্ৰী,
পাণবজাৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী
শ্ৰীমতী শাশ্বতী মজুমদাৰ, বিষয় শিক্ষয়িত্ৰী,
চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, নগাঁও
শ্ৰী সৌম্যজিত চক্ৰৱৰ্তী
সহকাৰী শিক্ষক, আৰ্য উচ্চতৰ মাধ্যমিক বিদ্যালয়,
লক্ষীপুৰ, কাছাৰ, অসম

## বিষয় বিশেষজ্ঞ

### ভূগোল বিজ্ঞান

ড° অৱনী কুমাৰ ভাগৱতী, মুখ্য অধ্যাপক,
ভূগোল বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

### ইতিহাস

ড° সুনীল পৱন বৰুৱা, অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ,
বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী।

ড° মিতা ডেকা, অধ্যাপক,
ইতিহাস বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

### অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান

ড° ধ্ৰুৱ প্ৰতীম শৰ্মা, সহকাৰী অধ্যাপক,
ৰাজনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

ড° গৌতম মজুমদাৰ, সহযোগী অধ্যাপক,
অৰ্থনীতি বিভাগ, কটন মহাবিদ্যালয়, গুৱাহাটী।

| | | |
|---|---|---|
| সমন্বয়ক | : | ড° অজন্তা ব্ৰহ্ম |
| প্ৰচ্ছদ | : | শ্ৰীমতী গীতা দত্ত বৰঠাকুৰ |
| অলংকৰণ | : | শ্ৰীহৰজ্যোতি শৰ্মা<br>শ্ৰীমতী হেমাংগিনী মজুমদাৰ |
| ডি.টি.পি | : | মঃ মোস্তাক আলী<br>শ্ৰীউৎসৱ তালুকদাৰ<br>আফতাবউদ্দিন আহমেদ |

### পুনৰ নিৰীক্ষণ

শ্ৰী পদ্মনাথ কাকতি, অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম (যোৰহাট চৌহদ)

## সম্পাদনা ও সংকলন

### ভূগোল বিজ্ঞান খণ্ড

শ্ৰী অশোক শৰ্মা
শ্ৰী দেবেন্দ্ৰ কুমাৰ কলিতা
শ্ৰী ত্ৰিলোচন ঠাকুৰীয়া
শ্ৰী নৱ কুমাৰ শৰ্মা

### ৰাজনীতি বিজ্ঞান

শ্ৰীমতী জ্যোৎস্না গগৈ মেদক
চৌয়দা কমেনা বেগম

### ইতিহাস খণ্ড

ড° অজন্তা ব্ৰহ্ম
শ্ৰী গণেশ চন্দ্ৰ গোস্বামী
শ্ৰী হৰিনাথ বৰা

### অৰ্থনীতি বিজ্ঞান

শ্ৰীমতী গীতা দত্ত বৰঠাকুৰ
শ্ৰীমতী ভাৰতী কলিতা

# শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি...

শান্তিপূৰ্ণ সমাজ এখনৰ ভেটি সমৃদ্ধ হয় সমাজ বিজ্ঞান বিষয়ৰ জ্ঞানৰ আধাৰত। দ্বিধাহীনভাৱে ইয়াৰ জ্ঞানে নৱপ্ৰজন্মৰ সামগ্ৰিক স্থিতিক সবল কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবেও এক সুস্থ আৰু ৰুচিসন্মত মানসিকতাৰ বাট মুকলি কৰে। ক্ৰমবৰ্ধমান পৰস্পৰ নিৰ্ভৰশীল পৃথিৱীত প্ৰতিনিয়ত মুখামুখি হোৱা বাস্তৱতাৰ লগত মোকাবিলা কৰিবলৈ প্ৰয়োজন হোৱা জ্ঞান, বুদ্ধি আৰু কৌশল আয়ত্ত কৰিব পাৰি একমাত্ৰ সমাজ বিজ্ঞানৰ নিৰলস অধ্যয়নৰ যোগেদি। স্বাধীনতা, বিশ্বাস, পাৰস্পৰিক বুজাপৰা, সন্মান, বৈচিত্ৰ্যৰ প্ৰতি আস্থা তথা সম্ভাৱ আদিৰ দৰে মানৱীয় প্ৰমূল্যৰ শক্তিশালী বোধ সৃষ্টিতো ই অবিহণা যোগায়। তদুপৰি যিকোনো সময়ৰ ঘটনা বা পৰিঘটনাক এক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চোৱাৰ মানসিকতা ছাত্ৰ-ছাত্ৰীসকলৰ মনত ই গঢ়ি তোলে। সমাজ বিজ্ঞানৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ইয়াৰ লগত জড়িত লোকসকলৰ প্ৰচেষ্টাই সামাজিক প্ৰমূল্যৰ প্ৰতি ভাবুকি স্বৰূপে থিয় দিয়া অপশক্তিসমূহ চিনাক্ত কৰি প্ৰয়োজনত তাক পৰাভূত কৰিবলৈকো ছাত্ৰ-ছাত্ৰীসকলক মনোবল দিয়ে।

এইটো অনস্বীকাৰ্য যে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহ যেনে- ভূগোল বিজ্ঞান, ইতিহাস, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতি বিজ্ঞান— প্ৰতিটোৰে উদ্দেশ্য আৰু বিষয়বস্তুৰ স্বকীয়তা আছে। আনহাতে প্ৰতিটো বিষয়ৰ এনে বিভিন্নতা থাকিলেও তাৰ কিছু উমৈহতীয়া বৈশিষ্ট্যও আছে। এটা বিষয়ক বাদ দি আন এটা বিষয়ৰ আলোচনা স্বাভাৱিকতে ফলপ্ৰসূ নহয়। সুস্থ, সবল, শান্তিপূৰ্ণ সমাজ এখন গঢ়িবলৈ প্ৰতিটো বিষয়ৰে অৰ্হতা ভিত্তিক জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিতান্ত প্ৰয়োজনীয়, কিয়নো ইয়ে তেওঁলোকক ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়ি তোলাত প্ৰভূত অৰিহণা যোগায়। অন্যথা সমাজ বিজ্ঞানৰ জ্ঞান আধৰুৱা হোৱাই নহয়, ই সমাজ জীৱন ঘূৰ্ণীয়া কৰাৰো সম্ভাৱনা থাকে। সেয়েহে বোধহয় আজিৰ এই ক্ৰমবৰ্ধমান, বিজ্ঞান প্ৰযুক্তিৰে সমৃদ্ধ পৃথিৱীখনত সমাজ বিজ্ঞানৰ আদৰ আৰু গ্ৰহণযোগ্যতা দিনক দিনে বাঢ়ি যাব ধৰিছে।

মুখস্থ আৰু পাঠ্যপুথি নিৰ্ভৰশীল শিক্ষাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখি সৃষ্টিমূলক কাম-কাজ আৰু সন্ধানীসূচক প্ৰশ্নৰ আধাৰত শিক্ষণ কাৰ্য পৰিচালনা কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোককে অংশীদাৰ কৰি লোৱাটো বৰ্তমান শিক্ষা ব্যৱস্থাৰ এক এৰাব নোৱৰা দিশ। তাকে কৰিবলৈ যাওঁতে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহৰ সমন্বয় সাধন অপৰিহাৰ্য। শিশু মনোবিজ্ঞানৰ সু-প্ৰয়োগেৰে শিক্ষাক জীৱনোপযোগী কৰি গঢ়ি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে অভিভাৱক আৰু সমাজৰ গুণী, জ্ঞানীসকলৰ অংশগ্ৰহণ নিশ্চিত কৰি শ্ৰেণী কোঠাত সতৰ্কতাৰে খোজ দিব লাগিব। সচৰাচৰ শ্ৰেণীকোঠাত চলি থকা একঘেয়ামী শিক্ষণ ব্যৱস্থা আঁতৰাই প্ৰয়োজন সাপেক্ষে শিথিল ৰুটিন আৰু দলগত কাৰ্য অৱলম্বনৰ দ্বাৰা প্ৰচেষ্টা চলাব লাগিব যাতে শ্ৰেণীকোঠালৈ এক গতিশীলতা আহে। তদুপৰি অৰ্হতা আয়ত্তকৰণৰ উদ্দেশ্য আগত ৰাখি পাঠ আদান-প্ৰদান প্ৰক্ৰিয়াৰ লগত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ বাবে প্ৰয়োজন হোৱা ক্ৰিয়াকলাপসমূহ নিশ্চিত কৰি ছাত্ৰ-ছাত্ৰীৰ লব্ধ জ্ঞানৰ এশ শতাংশই হিচাপ ল'ব লাগিব। তাকে কৰিলেহে শিশুৰ সৰ্বাংগীন বিকাশৰ সম্পূৰ্ণ খতিয়ান লোৱাটো সম্ভৱ হ'ব।

এই সকলোবোৰ উদ্দেশ্য আগত ৰাখি সমাজ বিজ্ঞানৰ অষ্টম শ্ৰেণীৰ পাঠ্যপুথিখন 'ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ, ২০০৫'ৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা হৈছে। পাঠ্যপুথিখনত মূল তিনিটা খণ্ড অন্তৰ্ভুক্ত কৰা হৈছে। সেইকেইটা হ'ল— ভূগোল বিজ্ঞান, ইতিহাস, অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান। আটাইকেইটা খণ্ডৰে বিষয়বস্তু সামৰি মুঠ ২৪ টা পাঠ ইয়াত সন্নিবিষ্ট কৰা হৈছে। পাঠসমূহ অৰ্হতা ভিত্তিক, ক্ৰিয়াকলাপ সমৃদ্ধ, আকৰ্ষণীয় আৰু সময়োপযোগী কৰি তোলাৰ চেষ্টা কৰা হৈছে।

শ্ৰেণীকক্ষত পাঠদানৰ সুবিধাৰ্থে পাঠ্যপুথিখনৰ মূল বৈশিষ্ট্যসমূহ থোৰতে আলোচনা কৰা হ'ল—

**মূল অৰ্হতা ঃ** পাঠ্যপুথিখনৰ প্ৰতিটো পাঠৰ আৰম্ভণিতে বাকচৰ ভিতৰত **'মূল অৰ্হতা'** শীৰ্ষক শিতান এটি ৰখা হৈছে। এই শিতানৰ মুখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উভয়কে পাঠৰ অন্তৰ্নিহিত উদ্দেশ্যৰ লগত পৰিচয় কৰাই দিয়া আৰু পঠন-পাঠন প্ৰক্ৰিয়াৰ জৰিয়তে উক্ত অৰ্হতা প্ৰাপ্তিত সহায় কৰা।

**জানি থওঁ আহা ঃ** পাঠবোৰৰ মাজে মাজে বাকচৰ ভিতৰত **'জানি থওঁ আহা'** শিতান এটা ৰখা হৈছে। এই শিতানত পাঠৰ বিষয়বস্তুৰ লগত সম্পৰ্ক থকা অতি প্ৰয়োজনীয় আনুষংগিক কিছু কথাৰ আভাস দিয়া হৈছে। ইয়াৰ জৰিয়তে পাঠৰ বিষয়বস্তুসমূহৰ ধাৰণা স্পষ্ট হোৱাৰ উপৰি পাঠৰ লগত সংগতি থকা কিছু ওপৰঞ্চি জ্ঞান ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিব। ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ ভঁৰাল টনকিয়াল কৰাত ই সহায়ক হ'ব বুলি ধাৰণা কৰা হৈছে। **পিচে, এই শিতানৰ অন্তৰ্ভুক্ত কথাখিনি ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ বাবে ব্যৱহাৰ নকৰে যেন।**

**ক্ৰিয়াকলাপ ঃ** পাঠত অন্তৰ্নিহিত হৈ থকা প্ৰতিটো অৰ্হতা যাতে ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব পাৰে আৰু লগতে অবিৰত মূল্যায়নতো সহায়ক হয়, তাৰ বাবে পাঠৰ মাজে মাজে ক্ৰিয়াকলাপ শিতানত কিছুমান চিন্তাৰ উদ্ৰেক কৰিব পৰা প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। এই ক্ৰিয়াকলাপসমূহ ব্যক্তিগত, যুৰীয়া, দলীয় আদি শিকন ব্যৱস্থাৰে সম্পন্ন কৰাৰ অৱকাশ ৰখা হৈছে। মূল্যায়নৰ জৰিয়তে নিৰ্ধাৰিত অৰ্হতা আয়ত্ত হোৱাটো নিশ্চিত হোৱাৰ পিছতহে পৰৱৰ্তী পৰ্যায়লৈ আগবাঢ়িব লাগিব। শিক্ষা ব্যৱস্থাক বাস্তৱমুখী কৰি তোলাৰ মানসেৰে এনে প্ৰচেষ্টা হাতত লোৱা হৈছে।

**মানচিত্ৰ/ছবি ঃ** পৰ্যবেক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বহুতো কথা নিজে নিজে শিকে। ছাত্ৰ-ছাত্ৰীৰ এনে মনস্তত্বৰ কথা মনত ৰাখি পাঠ্যপুথিখনত মানচিত্ৰ, ছবি অধ্যয়ন বা অংকনৰ সুবিধা ৰখা হৈছে যাতে তেওঁলোকৰ চিন্তা শক্তিৰ বিকাশ সাধন হয় আৰু নিজাববীয়াকৈ কিছু সিদ্ধান্তত উপনীত হ'ব পাৰে।

**মনত ৰাখিবলগীয়া কথা ঃ** প্ৰতিটো পাঠৰ সামৰণিত **'মনত ৰাখিবলগীয়া কথা'** শীৰ্ষক আন এটি শিতান ৰখা হৈছে। এই শিতানৰ জৰিয়তে প্ৰতিটো পাঠত শিকি অহা কথাবোৰ আউল নলগাকৈ পুনৰ আলোচনাৰ সুযোগ দিয়া হৈছে।

**অনুশীলনী ঃ** পাঠত থকা অৰ্হতাসমূহ আয়ত্ত হৈছে নে নাই, তাক নিশ্চিত কৰিবলৈ আৰু লব্ধজ্ঞান স্থায়ীকৰণৰ উদ্দেশ্যে প্ৰতিটো পাঠৰ অন্তত **অনুশীলনী** শিতান এটা ৰখা হৈছে। এই শিতানত থকা ক্ৰিয়াকলাপসমূহ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিয়াৰ উপৰি শিক্ষক বা অভিভাৱকে পাঠৰ লগত সংগতি ৰাখি অধিক ওপৰঞ্চি ক্ৰিয়াকলাপ কৰোৱাটো বাঞ্ছনীয়।

সমাজ বিজ্ঞানৰ পাঠৰ পৰা কেৱল বিষয়বস্তুৰ জ্ঞান আহৰণ কৰোৱাটোৱেই শেষ উদ্দেশ্য নহয়, এই পাঠসমূহত নিহিত হৈ থকা প্ৰমূল্যসমূহ যেনে— পৰিৱেশ সংৰক্ষণ, প্ৰকৃতি প্ৰেম, নিজৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি আস্থা আৰু দায়বদ্ধতা, দয়া, মৰম, শ্ৰদ্ধা, পৰোপকাৰিতা, শিষ্টাচাৰ আদি গুণবোৰৰ যাতে বিকাশ সাধন হয় আৰু বাস্তৱ জীৱনত ছাত্ৰ-ছাত্ৰীসকলে তাক প্ৰয়োগ কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰখাটো নিতান্তই বাঞ্ছনীয়। ইয়াৰ বাবে আমি বিদ্যালয়ৰ বাহিৰে-ভিতৰে প্ৰয়োজন বুজি ছাত্ৰ-ছাত্ৰীক দলগত কাৰ্য, ক্ষেত্ৰ অধ্যয়ন, প্ৰকল্প প্ৰস্তুতকৰণ, সমস্যা সমাধান আৰু উৎসৱ আদিত অংশগ্ৰহণ কৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব।

**পাঠ্যপুথিৰ পাঠসমূহ বিষয় হিচাপে তিনিটা খণ্ডত ভাগ কৰিলেও গোটে মূল্যায়ন কৰোঁতে আটাইকেইটা বিষয়ৰে পাঠ অন্তৰ্ভুক্ত হোৱাটো নিশ্চিত কৰিব লাগিব।**

# সূচীপত্ৰ


| | | |
|---|---|---|
| | পাতনি | |
| | *শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি* | i-ii |
| | ***ভূগোল বিজ্ঞান খণ্ড*** | |
| | *আগকথা* | ১ |
| ১। | প্ৰাকৃতিক সম্পদ | ২-১২ |
| ২। | জনসংখ্যাৰ বৃদ্ধি আৰু বিতৰণ | ১৩-২১ |
| ৩। | বসতি | ২২-২৯ |
| ৪। | বসতি ঃ গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱন | ৩০-৩৫ |
| ৫। | সাগৰ-মহাসাগৰ | ৩৬-৪৪ |
| ৬। | ভাৰতৰ উদ্যোগ আৰু পৰিবহণ ব্যৱস্থা | ৪৫-৫২ |
| ৭। | অসমৰ নদ-নদী | ৫৩-৬৩ |
| ৮। | ভূগোল বিজ্ঞান অধ্যয়নত প্ৰযুক্তিৰ প্ৰয়োগ | ৬৪-৬৭ |
| | ***ইতিহাস খণ্ড*** | |
| | *আগকথা* | ৬৮ |
| ৯। | নব্য ধৰ্মীয় ভাৱধাৰাৰ উত্থান | ৬৯-৭৭ |
| ১০। | মধ্যযুগৰ অসম | ৭৮-৮৬ |
| ১১। | অসমৰ আৰ্থ-সামাজিক জীৱনলৈ মধ্যযুগৰ শাসকসকলৰ বৰঙণি | ৮৭-৯৬ |
| ১২। | বাণিজ্যবাদ আৰু ভাৰতলৈ ইউৰোপীয় ব্যৱসায়ীসকলৰ আগমন | ৯৭-১০৪ |
| ১৩। | ভাৰতত ইংৰাজ শাসনৰ প্ৰতিষ্ঠা, সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ | ১০৫-১১৪ |
| ১৪। | ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনকালত ভাৰতত হোৱা সংস্কাৰসমূহ | ১১৫-১২২ |
| ১৫। | সাম্ৰাজ্যবাদ আৰু অসম | ১২৩-১২৯ |
| ১৬। | ১৮৫৭ চনৰ বিদ্ৰোহ | ১৩০-১৩৭ |
| | ***অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান খণ্ড*** | |
| | *আগকথা* | ১৩৮ |
| ১৭। | মানৱ সম্পদ উন্নয়ন, মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক আৰু মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ ভূমিকা | ১৩৯-১৪৬ |
| ১৮। | মানৱ সম্পদ উন্নয়নৰ প্ৰতিবন্ধকতাসমূহ আৰু চৰকাৰৰ ভূমিকা | ১৪৭-১৫৩ |
| ১৯। | আৰ্থ-সামাজিক উন্নয়নত বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা | ১৫৪-১৬৩ |
| ২০। | গ্ৰাহকৰ সজাগতা, অধিকাৰ আৰু সুৰক্ষা | ১৬৪-১৭২ |
| ২১। | সংবিধান আৰু ইয়াৰ প্ৰয়োজনীয়তা | ১৭৩-১৭৮ |
| ২২। | ভাৰতৰ সংবিধান | ১৭৯-১৮৭ |
| ২৩। | মৌলিক অধিকাৰ | ১৮৮-১৯৬ |
| ২৪। | আমাৰ মৌলিক কৰ্তব্য | ১৯৭-২০২ |


— ঃ —